নং ঃ ২৯৭/২০২১

<u>বিশ্ব পৰ্যটন দিৱসৰ কাৰ্যসূচীত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ</u>

# ৰাজ্যখনৰ পৰ্যটন উদ্যোগৰ বিকাশৰ বাবে কমকৈ জনাজাত পৰ্যটনৰ স্থানসমূহৰ উপযুক্ত বিপণনৰ ওপৰত মুখ্যমন্ত্ৰীৰ গুৰুত্ব আৰোপ

**দিছপুৰ, ২৭ ছেপ্টেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি পৰ্যটন বিভাগৰ দ্বাৰা শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰত আয়োজন কৰা বিশ্ব পৰ্যটন দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰাৰ লগতে ৰাজ্যখনৰ বিভিন্ন আত্ম-সহায়ক গোটৰ দ্বাৰা উৎপাদিত হস্তশিল্প আৰু বয়ন সামগ্ৰীৰ উৎপাদনৰ এক প্ৰদৰ্শনীও পৰিদৰ্শন কৰে। এই প্ৰদৰ্শনীখন অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযানৰ দ্বাৰা আয়োজন কৰা হৈছে।

বিশ্ব পৰ্যটন দিৱসৰ কাৰ্যসূচীত বক্তব্য প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ক'ভিড-১৯ অতিমাৰীৰ ফলত পৰ্যটন উদ্যোগ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। ৰাজ্য চৰকাৰে এই অতিমাৰীৰ পৰিস্থিতিৰ কিছু উন্নতি ঘটাৰ পৰিপ্ৰেক্ষিতত এই খণ্ডটোক পুনৰুজ্জীৱিত কৰাৰ দিশত পদক্ষেপ লৈছে। এই সন্দৰ্ভত মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অহা ১ নৱেম্বৰৰ পৰা ৰাজ্যখনত ক'ভিড সম্বন্ধীয় সকলো নিষেধাজ্ঞা বাতিল কৰাৰ বাবে ৰাজ্য চৰকাৰে চিন্তা-চৰ্চা কৰি আছে। ইয়াৰ লগতে ৰাজ্যখনৰ বৃহৎ সংখ্যক জনসাধাৰণক ভেকচিনৰ আওতালৈ অনাৰ বাবে সকলো ধৰণৰ পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে লগতে আশা প্ৰকাশ কৰে যে ২০২২ চনৰ পৰা ক'ভিড-১৯ এ সমগ্ৰ পৃথিৱীৰ জনসাধাৰণৰ জীৱন আৰু জীৱিকাৰ প্ৰতি ভাবুকিৰ সৃষ্টি নকৰিব। অতিমাৰী পৰিস্থিতিৰ অৱসান ঘটিলে পৰ্যটন উদ্যোগটোৱে পুনৰ প্ৰাণ পাই উঠিব। ক'ভিড পৰিস্থিতিৰ বাবে দুই বছৰ ধৰি ঘৰতে আৱদ্ধ হৈ থকা পৰ্যটকে ক'ভিড পৰিস্থিতি উন্নত হ'লে বেছিকৈ ভ্ৰমণ কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে আশা প্ৰকাশ কৰে।

আজিৰ এই অনুষ্ঠানতে মুখ্যমন্ত্ৰীয়ে পৰ্যটন বিভাগৰ এক আঁচনিৰ কথাও ঘোষণা কৰে। এই আঁচনিৰ অধীনত ক'ভিড অতিমাৰীত অৰ্থনৈতিকভাৱে ক্ষতিগ্ৰস্ত ৰাজ্যখনৰ ১৪২ গৰাকী ট্যুৰ অপাৰেটৰৰ প্ৰত্যেককৈ ২ লাখ টকাকৈ আৰ্থিক সাহায্যৰ লগতে ৬০৫ গৰাকী ট্যুৰ গাইডৰ প্ৰত্যেককৈ ২৫ হাজাৰ টকাকৈ আৰ্থিক অনুদান প্ৰদান কৰা হ'ব। মুখ্যমন্ত্ৰী ড° শৰ্মাই ৰাজ্যখনৰ পৰ্যটকৰ দ্বাৰা কম ভ্ৰমণ কৰা অথচ পৰ্যটনৰ যথেষ্ট সমল থকা পৰ্যটন স্থানসমূহৰ প্ৰতি বিশেষভাৱে গুৰুত্ব প্ৰদানৰ পদক্ষেপ ল'বলৈও আহ্বান জনায়। এই প্ৰসংগত তেওঁ কয় যে ৰাজ্যখনৰ পৰ্যটন উদ্যোগটো কেৱল কাজিৰঙা তথা ইতিমধ্যে গুৰুত্বপূৰ্ণ বুলি বিবেচিত স্থানসমূহৰ মাজতে আৱদ্ধ হৈ থকাটো উচিত নহয়। তেওঁ লগতে কয় যে অসমৰ খাদ্য সম্ভাৰ, হস্ততাঁত শিল্প, হস্তশিল্প, জনজাতীয় সংস্কৃতি, প্ৰাকৃতিক শোভা, পৃথিৱীৰ সকলো পৰ্যটকৰ আগত আমি তুলি ধৰিব লাগিব।

জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ৰাজ্যখনত সন্ত্ৰাসজনিত পৰিৱেশ নিয়ন্ত্ৰণাধীন হৈছে আৰু কেইবাটাও উগ্ৰপন্থী সংগঠনে চৰকাৰৰ লগত আলোচনাত মিলিত হৈছে। মুখ্যমন্ত্ৰীয়ে ট্যুৰ অপাৰেটৰ সকলক এই শান্তিপূৰ্ণ পৰিৱেশৰ পৰিপ্ৰেক্ষিতত ডিমা হাছাও, কাৰ্বি আংলং, বিটিআৰ ইত্যাদি অঞ্চলৰ মনোৰম স্থানসমূহৰ পৰ্যটনৰ বিপণনৰ বাবে সক্ৰিয়ভাৱে পদক্ষেপ লোৱাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰে। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে পাহাৰ পৰ্যটনৰ উত্তম স্থান ডিমা হাছাওৰ নিউ হাফলঙলৈ গুৱাহাটীৰ পৰা ভিষ্টাডম ৰে'ল সেৱাৰ প্ৰাৰম্ভণ কৰাৰ বাবে ভাৰতীয় ৰে'লৰ পদক্ষেপ শলাগ লয়। অনুষ্ঠানত ভাষণ প্ৰদান কৰি পৰ্যটন মন্ত্ৰী বিমল বৰাই অতিমাৰীৰ পিছত ৰাজ্য চৰকাৰে দেশীয় পৰ্যটকৰে পৰ্যটন উদ্যোগটোক উজ্জীৱিত কৰাৰ পদক্ষেপ সামৰি বক্তব্য আগবঢ়ায়।

**স্বাক্ষৰ / বঃভাঃ**
**২৭-০৯-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in